# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 08-11-2024 **Time :** 0755 Hrs

***Assamese Morning Bulletin***

ৰাজ্যৰ ৫টা সমষ্টিত হ'বলগীয়া উপ-নিৰ্বাচনলৈ মাজত ৪টা দিন বাকী থকা অৱস্থাত বিভিন্ন ৰাজনৈতিক দলে ব্যাপক প্ৰচাৰ অভিযান চলাইছে। মুখ্যমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা হিমন্ত বিশ্ব শৰ্মাই কালি চামগুৰি আৰু বিহালী সমষ্টিৰ দলীয় প্ৰাৰ্থী দুগৰাকীৰ হৈ নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে। সন্ধিয়া তেওঁ বিহালীত আয়োজিত এটা ৰোড শ্ব'ত অংশগ্ৰহণ কৰে। মন্ত্ৰী পীযুষ হাজৰিকা, বিধায়ক সুশান্ত বৰগোহাঁইৰ লগতে কেইবাজনো বিজেপিৰ জ্যেষ্ঠ নেতাই বিহালী সমষ্টিৰ দলীয় প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলাই আছে।

কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি চিদলী আৰু বঙাইগাঁও বিধানসভা সমষ্টিত বিজেপি আৰু মিত্ৰজোঁটৰ প্ৰাৰ্থীৰ হৈ নিৰ্বাচনী প্ৰচাৰ সভাত অংশ ল'ব।

ইফালে, অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাই কালি চিদলী বিধানসভা সমষ্টিত দলীয় প্ৰাৰ্থীগৰাকীৰ হৈ কেইবাখনো নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে। বি পি এফ প্ৰধান হাগ্ৰামা মহিলাৰীয়ে দলীয় প্ৰাৰ্থীৰ হৈ প্ৰচাৰ অভিযান চলাই আছে। কংগ্ৰেছ দলৰ সাংসদ ৰকিবুল হুছেইনেও কালি চামগুৰিৰ ভিন্ন প্ৰান্তত নিৰ্বাচনী প্ৰচাৰ সভাত অংশ লয়। দলৰ সাংসদ তথা বিৰোধীৰ উপ-দলপতি গৌৰৱ গগৈয়েও বিহালী সমষ্টিত প্ৰচাৰ চলায়।

০০০০০০০

কেন্দ্ৰীয় পৰিবেশ, বন আৰু জলবায়ু পৰিৱৰ্তন মন্ত্ৰালয়ে ডিব্ৰু-চৈখোৱা ৰাষ্ট্ৰীয় উদ্যানখনৰ ভিতৰত তেল খননৰ প্ৰস্তাৱ নাকচ কৰিছে। মন্ত্ৰালয়ে গোচৰৰ মাজতে কালি গুৱাহাটী উচ্চ ন্যায়ালয়ত এখন শপতনামা দাখিল কৰি তেল খননৰ প্ৰস্তাৱ বাতিল কৰাৰ কথা ব্যক্ত কৰে। উল্লেখযোগ্য যে ২০২০ চনৰ ১১ মে'ত পৰিবেশ, বন আৰু জলবায়ু পৰিৱৰ্তন মন্ত্ৰালয়ে ৰাষ্ট্ৰীয় উদ্যানখনৰ ভিতৰত সাতটা স্থানত তেল খননৰ বাবে অইল ইণ্ডিয়া লিমিটেডক পাৰিপাৰ্শ্বিক অনুমোদন প্ৰদান কৰিছিল। কিন্তু সকলো নিয়ম উলংঘা কৰি অইল ইণ্ডিয়াক পাৰিপাৰ্শ্বিক অনুমোদন দিয়া বুলি অধিবক্তা মৃন্ময় খাটনিয়াৰে উচ্চ ন্যায়ালয়ত এখন ৰাজহুৱা স্বাৰ্থজড়িত আবেদন দাখিল কৰিছিল।

০০০০০০০

শীতকাল আৰু কুঁৱলীৰ পৰিৱেশৰ প্ৰতি লক্ষ্য ৰাখি পথ সুৰক্ষা সুনিশ্চিত কৰিবৰ বাবে ৰাষ্ট্ৰীয় ঘাইপথ আৰু আন্তঃগাঁথনি উন্নয়ন নিগম লিমিটেডৰ দ্বাৰা যোৰহাটৰ কাকজান আৰু মেলেঙৰ লগতে জিলাখনৰ ভিন্ন স্থানত বেৰিকেডৰ ব্যৱস্থা কৰা হৈছে। জিলাখনত ভিন্ন স্থানত ঘাইপথসমূহৰ নিৰ্মাণকাৰ্য চলি থকাৰ পৰিপ্ৰেক্ষিতত চালকৰ সুবিধাৰ্থে ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্দেশনা, ট্ৰেফিক ডাইভাৰ্ছন ব'ৰ্ডে বেৰিকেডৰ ব্যৱস্থা কৰিছে। শীতকালৰ সময়ছোৱাত সম্পূৰ্ণ হোৱা পথত ষ্ট্ৰীট লাইটসমূহ সন্ধিয়া হোৱাৰ আগতে নিশ্চিত কৰিবলৈ ৰাষ্ট্ৰীয় ঘাইপথ আৰু আন্তঃগাঁথনি নিগম লিমিটেডক নিৰ্দেশনা প্ৰদান কৰা হয়।

০০০০০০০০

শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ প্ৰতিষ্ঠা দিৱস উপলক্ষে কাইলৈৰ পৰা দুদিনীয়াকৈ বৰ্ণাঢ্য কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। ১৯৯৮ চনৰ ৯ নৱেম্বৰত কলাক্ষেত্ৰ আনুষ্ঠানিকভাৱে মুকলি কৰা হৈছিল। কাইলৈ পুৱা কলাক্ষেত্ৰৰ কীৰ্তনঘৰত নাম-প্ৰসংগ আৰু আয়তীসকলৰ দিহানামেৰে প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হ'ব।

দিনৰ ভাগত বৰ্ণালী শীৰ্ষক অসমৰ বাৰে ৰহণীয়া লোকনৃত্যৰ অনুষ্ঠান আৰু সন্ধিয়া অসমৰ নাট্য তথা চলচ্চিত্ৰ জগতৰ অন্যতম পুৰোধা সদ্যপ্ৰয়াত কুলদা কুমাৰ ভট্টাচাৰ্যৰ স্মৃতিত শ্ৰদ্ধাঞ্জলি অনুষ্ঠান আৰু নাট্যানুষ্ঠান পৰিৱেশন কৰা হ'ব। দ্বিতীয় দিনা সোণালী সুদিন শীৰ্ষক ব্যতিক্ৰমী কাৰ্যসূচী অনুষ্ঠিত হ'ব।

০০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগৰ কাইলৈ নিশা ৮ বাজি ২ মিনিটত প্ৰচাৰ হ'বলগীয়া দৃষ্টিপাত অনুষ্ঠানত জৈৱ ইন্ধনঃ ভৱিষ্যতৰ অৰ্থনীতি শক্তিশালী কৰা সন্দৰ্ভত আলোচনা কৰা হ'ব। অনুষ্ঠানত প্ৰদূষণ নিয়ন্ত্ৰণ বৰ্ডৰ অধ্যক্ষ ডঃ অৰূপ কুমাৰ মিশ্ৰ আৰু নুমলীগড় তেল শোধনাগাৰৰ কৰ্পʼৰেট পৰিক্ৰমা বিভাগৰ উপদেষ্টা নিকুঞ্জ বৰঠাকুৰ সমল ব্যক্তি হিচাপে উপস্থিত থাকিব। অনুষ্ঠানৰ আঁত ধৰিব মানস প্ৰতীম শৰ্মাই। শ্ৰোতাসকলে অনুষ্ঠানটি চলি থকাৰ সময়ত ০৩৬১-২৬৬১৮৭৬ আৰু ২৬৬২৩২৫ নম্বৰলৈ ফোন কৰি অনুষ্ঠানটিত পোনপটীয়াকৈ অংশ ল'ব পাৰিব।

০০০০০০০

ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ চাৰিখনীয়া টি-টুৱেণ্টি ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেল আজি ডাৰবানৰ কিংছমিডত অনুষ্ঠিত হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি নিশা চাৰে ৮ বজাত আৰম্ভ হ'ব। শৃংখলাৰ দ্বিতীয়খন খেল দেওবাৰে গেকেবেৰাত খেলোৱা হ'ব। তৃতীয়খন খেল চেঞ্চুৰিয়নত আৰু চতুৰ্থ তথা অন্তিমখন খেল জোহান্সবাৰ্গত অনুষ্ঠিত হ'ব। দুয়োটা দল ইয়াৰ পূৰ্বে ব্ৰীজ টাউনৰ কেছিংটন অভেলত টি-টুৱেণ্টি বিশ্বকাপৰ ফাইনেলত সন্মুখীন হৈছিল। ভাৰত এই ৰোমাঞ্চকৰ খেলখনত ৭ ৰাণত জয়ী হৈছিল। দক্ষিণ আফ্ৰিকা ভ্ৰমণ টি-টুৱেণ্টিৰ অধিনায়ক সূৰ্যকুমাৰ যাদৱ নেতৃত্বাধীন ভাৰতীয় যুৱ দলটোৰ বাবে ভৱিষ্যতে মূল গোটত স্থান লাভৰ এটা ভাল সুযোগ ৰূপে পৰিগণিত হ'ব। ভাৰত সম্প্ৰতি আই চি চিৰ পুৰুষৰ টি-টুৱেণ্টিৰ দলীয় বাছনি তালিকাত শীৰ্ষত থকাৰ বিপৰীতে দক্ষিণ আফ্ৰিকা ষষ্ঠ স্থানত আছে।

০০০০০

**সমাপ্ত**